NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

ooooooooo

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক আজি অলজিয়াৰ্ছৰ চিডি অব্দেলাহ বিজ্ঞান আৰু প্ৰযুক্তি পোলে বিশ্ববিদ্যালয়ৰ সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, গুজৰাটৰ লোথলত নিৰ্মাণ কৰিবলগীয়া সামুদ্ৰিক ঐতিহ্য চৌহদে সাংস্কৃতিক আৰু পৰ্য্যটন খণ্ডত নতুন সুযোগৰ সৃষ্টি কৰিব।

৩। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি নতুন দিল্লীত স্বাস্থ্য, কৃষি আৰু বহনক্ষম চহৰ বিষয়ক তিনিটা কৃত্ৰিম বুদ্ধিমত্তা উৎকৰ্ষ সাধন কেন্দ্ৰৰ ঘোষণা কৰে।

৪। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আমেৰিকা-ভাৰত কৌশলগত সহযোগিতা মঞ্চই ভাৰতৰ ঔদ্যোগিক বিকাশ আৰু বিনিয়োগ বৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বুলি মন্তব্য কৰিছে।

***আৰু***

৫। নিৰ্বাচন আয়োগে মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰিছে।

ooooooooo

ত্ৰিদেশীয় ভ্ৰমণসূচীৰ অংশ হিচাপে সম্প্ৰতি আলজেৰিয়াত থকা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক আজি অলজিয়াৰ্ছৰ চিডি অব্দেলাহ বিজ্ঞান আৰু প্ৰযুক্তি পোলে বিশ্ববিদ্যালয়ৰ সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হয়। আলজেৰিয়াৰ উচ্চ শিক্ষা আৰু বৈজ্ঞানিক গৱেষণা মন্ত্ৰী কমাল বদ্ৰিয়ে ৰাষ্ট্ৰপতিক এই ডিগ্ৰী অৰ্পণ কৰে। এই উপলক্ষে শ্ৰীমতী মুৰ্মুৱে এই ডক্টৰেট ডিগ্ৰীক দেশৰ সন্মান বুলি অভিহিত কৰে। তেওঁ কয় যে, ভাৰত অনাদিকালৰে পৰা শান্তি আৰু সমৃদ্ধিশালী বিশ্বৰ হকে থিয় দি আহিছে। শিক্ষাই অসমানতা দূৰ কৰে আৰু সকলোৰে বাবে সমান সুযোগ নিশ্চিত কৰে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ আলজেৰিয়াৰ চৰকাৰ, উচ্চ শিক্ষা বিভাগ আৰু শিক্ষাৰ্থীসকলক ভাৰতৰ আই টি ই চি কাৰ্য্যসূচী আৰু অন্য জলপানি আঁচনিৰ সুযোগ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ৰাষ্ট্ৰপতি মুৰ্মুৱে কয় যে, দুয়োখন দেশৰ যুৱক-যুৱতী উভয় দেশৰ বাবে এখন

শক্তিশালী সেতুস্বৰূপ আৰু এনে কাৰ্য্যসূচীয়ে দুয়ো দেশৰ মাজৰ সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক অধিক শক্তিশালী কৰি তুলিব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, গুজৰাটৰ লোথলত নিৰ্মাণ কৰিবলগীয়া সামুদ্ৰিক ঐতিহ্য চৌহদে সাংস্কৃতিক আৰু পৰ্য্যটন খণ্ডত নতুন সুযোগৰ সৃষ্টি কৰিব। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমৰ এটা পষ্টযোগে কৈছে যে, কেন্দ্ৰীয় মন্ত্ৰীসভাই অলপতে লোথলত ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য চৌহদ বিকশাই তোলাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ লগতে কয় যে, ভাৰতে সাংস্কৃতিক আৰু পৰ্য্যটন খণ্ডত অধিক অংশগ্ৰহণ বিচাৰিছে। শ্ৰীমোদীয়ে লগতে পৰ্য্যটন ক্ষেত্ৰৰ ব্যৱসায়ীসকলক ক্ষেত্ৰখনত নতুন সুযোগৰ অন্বেষণ কৰিবলৈ আৰু বিষয়টো সন্দৰ্ভত দিহা-পৰামৰ্শ আগবঢ়াবলৈ আহ্বান জনায়।

০০০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসম আৰু মেঘালয়লৈ আহিব। ভ্ৰমণকালত শ্ৰী ধনখড়ে মুখ্য অতিথি হিচাপে শ্বিলঙৰ মাওদিয়াংদিয়াঙত মেঘালয় দক্ষতা আৰু উদ্ভাৱন কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে শ্বিলঙৰ তথ্য প্ৰযুক্তি উদ্যান আৰু ৰাজভৱন পৰিদৰ্শন কৰিব আৰু মুখ্যমন্ত্ৰী তথা অন্য জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০০০০০

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি নতুন দিল্লীত স্বাস্থ্য, কৃষি আৰু বহনক্ষম চহৰ বিষয়ক তিনিটা কৃত্ৰিম বুদ্ধিমত্তা উৎকৰ্য সাধন কেন্দ্ৰৰ ঘোষণা কৰে। শ্ৰীপ্ৰধানে কয় যে, এই কেন্দ্ৰসমূহে গৱেষণা, উদ্ভাৱন আৰু অৰ্থনীতিৰ প্ৰসাৰৰ লগতে জনসাধাৰণৰ কল্যাণ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। নতুন দিল্লীত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান এইমছ, ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান ৰোপড় আৰু ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান কানপুৰত এই কেন্দ্ৰকেইটা স্থাপন কৰা হ'ব। এই উপলক্ষে শ্ৰী প্ৰধানে কয় যে, এই ঐতিহাসিক সিদ্ধান্তই কৃত্ৰিম বুদ্ধিমত্তা ক্ষেত্ৰত দেশৰ স্থিতি শক্তিশালী কৰি তুলিব। তেওঁ কয় যে, ১০ বছৰ পাছত এই কৃত্ৰিম বুদ্ধিমত্তা উৎকৰ্য সাধন কেন্দ্ৰকেইটাই বিশ্বৰ বাবে সমাধান সূত্ৰ প্ৰদানকাৰী হিচাপে কাম কৰিব। ২০২৩-২৪ বৰ্যৰ বাজেটত ভাৰতত কৃত্ৰিম বুদ্ধিনত্তা বিকশাই তোলাৰ এই কেন্দ্ৰকেইটাৰ কথা ঘোষণা কৰা হৈছিল।

০০০০০০০০০

প্ৰাক্তন ৰাষ্ট্ৰপতি আৰু প্ৰসিদ্ধ বিজ্ঞানী ড০ এ পি জে আব্দুল কালামৰ আজি ৯৩ সংখ্যক জন্ম বাৰ্ষিকী। ড০ এ পি জে আব্দুল কালামৰ শিক্ষাৰ প্ৰতি নিষ্ঠাৰ সন্মানাৰ্থে আজিৰ দিনটো বিশ্ব শিক্ষাৰ্থী দিৱস হিচাপে পালন কৰা হৈছে। এই দিৱসৰ মূল বিষয়বস্তু হৈছে- পৰিৱৰ্তনৰ অভিকৰ্তাৰূপে শিক্ষাৰ্থীসকলৰ সৱলীকৰণ। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীৰ চিন্তা আৰু পৰিকল্পনাই দেশক বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰিব।

০০০০০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আমেৰিকা-ভাৰত কৌশলগত সহযোগিতা মঞ্চই ভাৰতৰ ঔদ্যোগিক বিকাশ আৰু বিনিয়োগ বৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বুলি মন্তব্য কৰিছে। শ্ৰীমতী সীতাৰমণে আজি নতুন দিল্লীত অধ্যক্ষ জন টি চেম্বাৰ নেতৃত্বাধীন আমেৰিকা-ভাৰত কৌশলগত সহযোগিতা মঞ্চৰ সদস্যসকলৰ সৈতে মত বিনিময় কৰি এইদৰে প্ৰকাশ কৰে। বৈঠকত বিত্ত মন্ত্ৰীগৰাকীয়ে ভাৰতৰ দ্ৰুত অৰ্থনৈতিক বিকাশ, যুৱ প্ৰজন্মৰ গুৰুত্বপূৰ্ণ ভূমিকা আৰু বীমা, গৃহ নিৰ্মাণ তথা নৱীকৰণযোগ্য শক্তি খণ্ডৰ বৰ্ধিত বিনিয়োগ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে ভাৰতবৰ্ষক ব্যৱসায়ৰ আকৰ্ষণীয় স্থানৰূপে গঢ়ি তোলাৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিৰদ্ধতাৰ বিষয়ে আলোকপাত কৰে।

ooooooooo

নিৰ্বাচন আয়োগে মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। সেই অনুসৰি, মহাৰাষ্ট্ৰত এটা পৰ্য্যায়ত ২০ নবেম্বৰত আৰু ঝাৰখণ্ডত ১৩ আৰু ২০ নবেম্বৰত দুটা পৰ্য্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। দুয়োখন ৰাজ্যৰ ২৩ নবেম্বৰত ভোট গণনা কৰা হ'ব। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে আজি নতুন দিল্লীত নিৰ্বাচনী সূচী ঘোষণা কৰি কয় যে, ২৮৮ জনীয়া মহাৰাষ্ট্ৰ বিধানসভাৰ বাবে ২২ অক্টোবৰত অধিসূচনা জাৰি কৰা হ'ব আৰু ইচ্ছুক প্ৰাৰ্থীসকলে ২৯ অক্টোবৰ পৰ্য্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। তেওঁ লগতে কয় যে, ৰাজ্যখনৰ ৯ কোটি ৬৩ লাখ ভোটদাতাৰ বাবে ১ লাখৰো অধিক ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব।

ইপিনে, ঝাৰখণ্ড বিধানসভাৰ প্ৰথম পৰ্য্যায়ৰ নিৰ্বাচনৰ বাবে ১৮ অক্টোবৰত অধিসূচনা জাৰি কৰা হ'ব আৰু প্ৰাৰ্থীসকলে ২৫ অক্টোবৰলৈকে মনোনয়ন দাখিল কৰিব পাৰিব। ৰাজ্যখনৰ দ্বিতীয় পৰ্য্যায়ৰ নিৰ্বাচনৰ বাবে ২২ অক্টোবৰত অধিসূচনা জাৰি কৰা হ'ব আৰু ২৯ নবেম্বৰ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন হ'ব। মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে কৈছে যে, ৰাজ্যখনৰ ২৬ হাজাৰৰো অধিক ভোটগ্ৰহণ কেন্দ্ৰত ২ কোটি ৬০ লাখ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব। দুয়োখন ৰাজ্যতে নিৰ্বাচনী সূচী ঘোষণা কৰাৰ পাছত নিৰ্বাচনী আচৰণ বিধি প্ৰযোজ্য হৈছে। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে কয় যে, আয়োগ মুক্ত আৰু নিকাভাৱে নিৰ্বাচন সম্পন্ন কৰিবলৈ প্ৰতিশ্ৰুতিৰদ্ধ। আয়োগ প্ৰলোভন আৰু হিংসামুক্ত নিৰ্বাচনৰ প্ৰতি বদ্ধপৰিকৰ বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে, মুক্ত আৰু নিকা নিৰ্বাচন সুনিশ্চিত কৰাৰ বাবে ধনবলৰ ব্যৱহাৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিধি বলবৎকাৰী সংস্থাসমূহক নিৰ্দেশ দিয়া হৈছে। নিৰ্বাচনৰ প্ৰতিটো প্ৰক্ৰিয়াৰ ভি ডি অ'গ্ৰাফী কৰা হ'ব বুলি উল্লেখ কৰি তেওঁ কয় –

-বাইট-

নিৰ্বাচন আয়োগে লগতে বিভিন্ন ৰাজ্যৰ ৪৮ টা বিধানসভা সমষ্টি আৰু দুটা লোকসভা সমষ্টিত উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰে। ইয়াৰে ৪৭ টা বিধানসভা সমষ্টি আৰু ৱায়নাদ সংসদীয় সমষ্টিৰ বাবে ১৩ নবেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। উত্তৰাখণ্ডৰ এখন বিধানসভা আসন আৰু মহাৰাষ্ট্ৰৰ নান্দেড় লোকসভা আসনৰ বাবে ২০ নবেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব।

ooooooooo

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আসন্ন দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে ৰাষ্ট্ৰীয় উপ-সভাপতি বেইজণ্ট পাণ্ডাক ৰাজ্যখনৰ নিৰ্বাচন প্ৰভাৰী হিচাপে নিয়োগ কৰিছে। সাংসদ অতুল গাৰ্গক বিধানসভা নিৰ্বাচনৰ বাবে সহকাৰী প্ৰভাৰী হিচাপে নিযুক্তি দিয়া হৈছে।

০০০০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি দিল্লীত অষ্ট্ৰেলিয়াৰ আব্ৰজন দপ্তৰৰ সহকাৰী মন্ত্ৰী মট্ থিছটলেটৰেইটক সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই প্ৰব্ৰজন আৰু আহ্-যাহৰ লগতে দক্ষতা বিকাশ আৰু বৃত্তিমূলক প্ৰশিক্ষণ সম্পৰ্কে আলোচনা কৰে। ড০ জয়শংকৰে কয় যে, এই ক্ষেত্ৰসমূহৰ সহযোগিতা ভাৰত আৰু অষ্ট্ৰেলিয়া উভয়ৰে বাবে লাভদায়ক।

০০০০০০০০০

দেশৰ প্ৰতিৰক্ষা ক্ষমতাৰ উত্থান ঘটাই ভাৰত আৰু আমেৰিকাই ৩১ খন এম কিউ নাইন বি প্ৰিডেটৰ ড্ৰ'ণ ক্ৰয়ৰ চুক্তিত স্বাক্ষৰ কৰিছে। দেশৰ কাৰ্য্যকৰী প্ৰস্তুতি আৰু সামৰিক শক্তি বৃদ্ধিৰ লক্ষ্যৰে সম্পাদনা কৰা এই চুক্তিত এম কিউ নাইন বি স্কাই গাৰ্ডিয়ান আৰু চি গাৰ্ডিয়ান ড্ৰ'ণৰ ট্ৰাই চাৰ্ভিছ্ ক্ৰয় কৰাটো অন্তৰ্ভুক্ত কৰা হৈছে। উল্লেখযোগ্য যে, প্ৰতিৰক্ষা সচিব গিৰিধৰ আৰামণেৰ উপস্থিতিত আজি দিল্লীত আমেৰিকা চৰকাৰৰ সৈতে প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে চুক্তি স্বাক্ষৰ কৰে। মন্ত্ৰ্যালয়ে জেনেৰেল এটমিক্স গ্ল'ৰেল ইণ্ডিয়া প্ৰাইভেট লিমিটেডৰ সৈতেও পাৰফৰ্মেন্স বেছড লজিষ্টিক্সৰ বাবে পৃথক চুক্তিত স্বাক্ষৰ কৰি ড্ৰ'ণসমূহৰ ডিপ' পৰ্য্যায়ত ৰক্ষণাবেক্ষণ আৰু মেৰামতি নিশ্চিত কৰে। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি, শেহতীয়াকৈ চৰকাৰে আমেৰিকাৰ পৰা ৩১ খন প্ৰিডেটৰ ড্ৰ'ণ ক্ৰয় কৰাৰ অনুমতি দিছে। এই ড্ৰ'ণসমূহে দেশৰ প্ৰতিৰক্ষা বাহিনীৰ বাবে গেম চেঞ্জাৰ হিচাপে প্ৰমাণিত হ'ব বুলি প্ৰকাশ কৰে।

০০০০০০০০০

সমাপ্ত